<u>অধ্যায়-১০</u>

# বেংকিং পদ্ধতি
# (BANKING SYSTEM)

দেশভেদে বেংকিং পদ্ধতিৰ মাজত পাৰ্থক্য আছে। ইয়াৰ কাৰণ হ'ল বিভিন্ন দেশত বিৰাজ কৰা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থা আৰু পৰম্পৰাসমূহৰ মাজত থকা পাৰ্থক্য। বেংকিং পদ্ধতিৰ বিষয়ে দুটা দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব পাৰি। প্ৰথমতে, কাৰ্য্যৰ ওপৰত ভিত্তি কৰি বেংকিং পদ্ধতিক শুধ বেংকিং (Pure Banking) বা আমানত বেংকিং (Deposit Banking) বা বাণিজ্যিক বেংকিং (Commercial Banking) আৰু বিনিয়োগ বেংকিং (Invesment Banking) হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি। দ্বিতীয়তে, সংগঠনৰ ওপৰত ভিত্তি কৰি বেংকিং পদ্ধতিক শাখা বেংকিং (Branch Banking), গোট বেংকিং (Unit Banking), থুপ বেংকিং (Group Banking), শৃংখল/চেইন বেংকিং (Chain Banking) আৰু যোগাযোগ বা সংযোগী বেংকিং (Correspondent Banking) হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি।

**বেংকিং পদ্ধতিৰ প্ৰকাৰ** (Forms of Banking System) ঃ

সংগঠনৰ আধাৰত বেংকিং পদ্ধতি নিম্নলিখিত প্ৰকাৰবোৰত বিভক্ত কৰিব পাৰি—

১। **শাখা বেংকিং পদ্ধতি** (Branch Banking System) ঃ

শাখা বেংকিং পদ্ধতি হৈছে বেংকিং পদ্ধতি, য'ত একক প্ৰতিষ্ঠান হিচাপে আৰু একক মালিকীস্বত্বৰ অধীনত এটা ডাঙৰ বেংকে বুজন সংখ্যক শাখাৰ জৰিয়তে কাম কৰে। অৰ্থাৎ যেতিয়া এটা বেংকে কেইবাটাও শাখাৰ সৈতে বিভিন্ন স্থানত বেংকিং ব্যৱসায় কৰে, সেই পদ্ধতিটোক শাখা

বেংকিং পদ্ধতি বুলি কোৱা হয়। এই ক্ষেত্ৰত এখন ডাঙৰ চহৰত বেংকৰ মুখ্য কাৰ্যালয় আৰু দেশৰ বিভিন্ন প্ৰান্তত বা দেশৰ বাহিৰত শাখা থাকে। বেংকৰ মুখ্য কাৰ্যালয় আৰু ইয়াৰ সকলো শাখা একক মালিকানা আৰু ব্যৱস্থাপনাৰ অধীনত থাকে। উদাহৰণস্বৰূপে ভাৰতীয় ষ্টেট বেংকৰ সমগ্ৰ বিশ্বত ১৩,০০০ৰো অধিক শাখা বিয়পি আছে।

২। **গোট বেংকিং পদ্ধতি** (Unit Banking System) ঃ

গোট বেংকিং পদ্ধতি হৈছে এটা বেংকিং পদ্ধতি, য'ত বেংকে এটা কাৰ্যালয় বা ব্যৱসায়ৰ স্থানৰ পৰা কাম কৰে। গোট বেংক এটাৰ কাৰ্যক্ষেত্ৰ শাখা বেংকিঙৰ তুলনাত অধিক সীমিত। শাখা বেংকিং পদ্ধতিৰ অধীনৰ বেংকৰ তুলনাত গোট বেংকৰ আকাৰ যথেষ্ট সৰু। গোট বেংকিং পদ্ধতি আমেৰিকা যুক্তৰাষ্ট্ৰত উদ্ভৱ আৰু বিকাশ হৈছিল।

৩। **থুপ বেংকিং পদ্ধতি** (Group Banking System) ঃ

দুটা বা ততোধিক স্বতন্ত্ৰভাৱে অন্তৰ্ভুক্ত বেংক এটা হোল্ডিং কোম্পানীৰ নিয়ন্ত্ৰণলৈ অনা পদ্ধতিয়েই হ'ল থুপ বেংকিং। হোল্ডিং কোম্পানীটো এটা বেংকিং কোম্পানী হ'ব পাৰে বা নহ'বও পাৰে। থুপ বেংকিঙৰ অধীনত ব্যক্তিগত বেংকবোৰ গোট বেংক বা শাখা পৰিচালনা কৰা বেংক বা দুয়োটাৰে সংমিশ্ৰণ হ'ব পাৰে।

৪। **চেইন বেংকিং পদ্ধতি** (Chain Banking) ঃ

চেইন বেংকিং হৈছে বেংকিঙৰ এক পদ্ধতি যাৰ অধীনত কেইবাটাও পৃথকে পঞ্জীয়নভুক্ত বেংকক হোল্ডিং কোম্পানীৰ বাহিৰে আন এটা ব্যৱস্থাৰ দ্বাৰা উমৈহতীয়া নিয়ন্ত্ৰণৰ অধীনলৈ অনা হয়। এইটো তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে—

(ক) কেইবাটাও স্বতন্ত্ৰ বেংকৰ মালিক আৰু নিয়ন্ত্ৰণ কৰা ব্যক্তিৰ কিছুমান গোটৰ জৰিয়তে।

(খ) প্ৰতিটো বেংকে ইয়াৰ পৃথক সত্তা বজাই ৰাখে।

(গ) প্ৰত্যেকেই কোনো কেন্দ্ৰীয় সংগঠনৰ হস্তক্ষেপ অবিহনে ইয়াৰ কাৰ্যকলাপ সম্পাদন কৰে।

৫। **সংযোগী বেংকিং পদ্ধতি** (Correspondent Banking System) ঃ

সংযোগী বেংক হৈছে এনে এটা বেংক, যিয়ে আন বেংকক সেৱা (যেনে— আন বেংকৰ হৈ আমানত গ্ৰহণ) প্ৰদান কৰে। এইটো হৈছে এনে এক পদ্ধতি, যাৰ অধীনত গোট বেংকবোৰ ডাঙৰ বেংকৰ সৈতে সংযুক্ত হৈ আছে। সংযোগী বেংকবোৰ বিত্তীয় কেন্দ্ৰবোৰত এতিয়াও ডাঙৰ

বেংকৰ সৈতে সংযুক্ত হৈ আছে। সৰু বেংকবোৰে তেওঁলোকৰ নগদ সংৰক্ষণ ডাঙৰ বেংকৰ সৈতে জমা ৰাখে। যিবোৰ ডাঙৰ বেংকৰ সৈতে এনে ধৰণৰ জমা কৰা হয়, তেওঁলোকক সংযোগী বেংক বুলি কোৱা হয়।

**শাখা বেংকিং পদ্ধতিৰ সুবিধাসমূহ** (Adventages of Branch Banking System)—

(ক) **বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ লাভালাভ** (Benefits of large scal operations) ঃ

শাখা বেংক এটাৰ বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ সকলো সুবিধা আছে। গোট বেংকৰ তুলনাত ইয়াৰ বৃহৎ সম্পদ আছে। ই উচ্চ পৰিমাণৰ দৰমহা পৰিশোধ কৰি বিশেষজ্ঞ নিয়োগ কৰিব পাৰে আৰু ই দক্ষ কামৰ বাবে ইয়াৰ কাৰ্যালয়ত আধুনিক যান্ত্ৰিক সঁজুলি ব্যৱহাৰ কৰিব পাৰে।

(খ) **বিপদ শংকাৰ ব্যাপক বিস্তাৰ** (Wider spreading of risk) ঃ

এই পদ্ধতিত বেংক এটাই বিভিন্ন প্ৰকাৰৰ অৰ্থনৈতিক বিকাশৰ সৈতে এক বিস্তৃত এলেকাত কাম কৰে। এটা অঞ্চলৰ শাখাৰ লোকচান হ'লে আন অঞ্চলৰ শাখাবোৰৰ লাভৰ বিপৰীতে নিষ্পত্তি কৰিব পাৰি। এনেদৰে এই বিপদাশংকা ভৌগোলিকভাৱে বিতৰণ কৰা হয়। সেয়েহে মন্দাৱস্থাৰ সময় সহ্য কৰাৰ ইয়াৰ ক্ষমতা গোট বেংকতকৈ অধিক।

(গ) **দক্ষ ব্যৱস্থাপনা** (Efficient management) ঃ

শাখা বেংকিং পদ্ধতিয়ে বেংকিং ব্যৱস্থাপনাত অধিক দক্ষতাৰে কাম কৰে। শাখা বেংক এটাৰ কৰ্মচাৰীসকল গোট বেংকৰ তুলনাত অধিক দক্ষ আৰু অধিক অভিজ্ঞ। প্ৰতিজন কৰ্মচাৰীয়ে বিভিন্ন শাখাত কাম কৰাৰ আৰু বিভিন্ন অঞ্চলৰ মানুহ আৰু বিষয়বোৰ বুজি পোৱাৰ সুবিধা পায়।

(ঘ) **পুঁজি প্ৰেৰণত মিতব্যয়িতা** (Economy in remittance) ঃ

শাখা বেংকিং পদ্ধতিত পুঁজি প্ৰেৰণত মিতব্যয়িতাৰ সুবিধা আছে। যিহেতু ইয়াৰ বিভিন্ন এলেকাত শাখা থাকে, সেয়েহে ই শাৰীৰিকভাৱে এঠাইৰ পৰা আন ঠাইলৈ নগদ ধন স্থানান্তৰ কৰাৰ প্ৰয়োজন নাই। ই ইয়াৰ শাখাসমূহৰ হিচাবৰ বহীত কেৱল স্থানান্তৰ প্ৰবিষ্টিৰ দ্বাৰা ইয়াৰ গ্ৰাহকসকলক প্ৰেৰণৰ সুবিধা প্ৰদান কৰিব পাৰে। ইয়ে পুঁজি প্ৰেৰণ কৰা কাৰ্য সহজ, দ্ৰুত আৰু কম খৰচী কৰে।

(ঙ) **নগদ সংৰক্ষণৰ মিতব্যয়িতা** (Economy of cash reserves) ঃ

শাখা বেংকিং পদ্ধতিত নগদ সংৰক্ষণৰ মিতব্যয়িতাৰ সুবিধা আছে। প্ৰয়োজন অনুসৰি যেতিয়াই-তেতিয়াই নগদ ধন এটা শাখাৰ পৰা আন এটা শাখালৈ স্থানান্তৰ কৰিব পাৰি। ইয়াৰ ফলত এটা শাখাই কম নগদ উদ্বৃত্তৰ সৈতে কাম কৰিব পাৰে কাৰণে বৃহৎ পৰিমাণৰ নিষ্ক্ৰিয় উদ্বৃত্ত সংৰক্ষণৰ প্ৰয়োজন নাথাকে।

(চ) **জমা আৰু সম্পত্তিৰ বিবিধতা** (Diversification of deposits and assets) ঃ

শাখা বেংকিং পদ্ধতিৰ অধীনত বিস্তৃত ভৌগোলিক অঞ্চল সামৰি লোৱা বাবে জমা আৰু সম্পত্তিৰ অধিক বৈচিত্ৰতা আছে। বৈচিত্ৰ্যকৰণৰ অৰ্থ হৈছে যে বেংক এটাই কোনো নিৰ্দিষ্ট ক্ষেত্ৰ বা নিৰ্দিষ্ট উদ্যোগত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন নাই। যিবোৰ অঞ্চলত সঞ্চয় যথেষ্ট পৰিমাণে আছে সেইবোৰ অঞ্চলৰ পৰা আমানত সংগ্ৰহ কৰা হয় আৰু যিবোৰ ক্ষেত্ৰত পুঁজিৰ অভাৱ আছে আৰু সুতৰ হাৰ অধিক সেই অঞ্চলত ঋণ সম্প্ৰসাৰিত কৰা হয়।

**শাখা বেংকিং পদ্ধতিৰ অসুবিধাসমূহ** (Disadvantages of Branch Banking System)—

(১) **ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণত অসুবিধা** (Difficulty in management and control) ঃ

এই পদ্ধতিত এটা বেংকৰ বৃহৎ সংখ্যক শাখা বিভিন্ন স্থানত বিয়পি থাকে বাবে এইবিলাকৰ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণ অধিক কঠিন হৈ পৰে।

(২) **কম পদক্ষেপ** (Less initiative) ঃ

বেংকৰ শাখাবোৰক তেওঁলোকৰ স্বতন্ত্ৰ সিদ্ধান্ত ল'বলৈ অনুমতি দিয়া নহয়। তেওঁলোকে মুখ্য কাৰ্যালয়ৰ নিৰ্দেশনা অনুসৰণ কৰিব লাগিব। ইয়াৰ উপৰিও তেওঁলোকে বিভিন্ন বিষয়বোৰ অনুমোদনৰ বাবে মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। সেয়েহে শাখা প্ৰৱন্ধসকলে পদক্ষেপ ল'ব নোৱাৰে।

(৩) **লোকচানৰ সংযোজন** (Adjustments of losses) ঃ

শাখা বেংকিং পদ্ধতিত এটা শাখাৰ লোকচান আন এটা শাখাৰ দ্বাৰা উপাৰ্জন কৰা লাভৰ বিপৰীতে সংযোজন কৰিব পাৰি। ই সামগ্ৰিকভাৱে সংগঠনটোৰ লাভজনকতা প্ৰভাৱিত কৰিব। কিয়নো লোকচান বহন কৰা শাখাই দক্ষ শাখাবোৰৰ লাভ ভোগ/হজম কৰি থাকিব।

(৪) **অৰ্থনৈতিক ক্ষমতাৰ কেন্দ্ৰীভূতকৰণ** (Concentration of economic power) ঃ

শাখা বেংকিং পদ্ধতিৰ অধীনত বিত্তীয় সম্পদসমূহ কেইজনমানৰ হাতত কেন্দ্ৰীভূত হ'ব পাৰে, যিয়ে বৃহৎ সংখ্যক শাখা থকা ডাঙৰ বেংকবোৰ নিয়ন্ত্ৰণ কৰে। এইটোৱে কেইটামান ডাঙৰ বেংকত অৰ্থনৈতিক ক্ষমতা কেন্দ্ৰীভূত কৰিব। ইয়ে একচেটিয়া অধিকাৰ প্ৰদান কৰিব।

(৫) **অদক্ষ শাখাবোৰ অব্যাহত ৰখা** (Continuance of inefficient branches) ঃ

গোট বেংকিং পদ্ধতিৰ অধীনত অদক্ষ শাখাবোৰ জীয়াই থাকিব নোৱাৰে। কিন্তু শাখা বেংকিং পদ্ধতিৰ ক্ষেত্ৰত, অদক্ষ শাখাবোৰে কাম কৰি থাকিব পাৰে কিয়নো সেই শাখাবোৰৰ লোকচান আন কিছুমান শক্তিশালী শাখাৰ লাভৰ দ্বাৰা ক্ষতিপূৰণ কৰা হয়। এনেদৰে এই প্ৰণালীৰ অধীনত অদক্ষতা সুৰক্ষিত কৰা হয়।

(৬) **অস্বাস্থ্যকৰ প্ৰতিযোগিতা** (Unhealthy competition) ঃ

শাখা বেংকিং পদ্ধতিৰ অধীনত বহুতো বেংকে তেওঁলোকৰ শাখাবোৰ এক নিৰ্দিষ্ট এলেকাত পৰিচালনা কৰিব পাৰে, য'ত ব্যৱসায়ৰ সম্ভাৱনা অতি উজ্বল। ইয়ে বেংকৰ বিভিন্ন শাখাৰ মাজত অস্বাস্থ্যকৰ প্ৰতিযোগিতা সৃষ্টি কৰিব পাৰে।

**গোট বেংকিং পদ্ধতিৰ সুবিধাসমূহ** (Advantages of Unit Banking System)—

(১) **সহজে প্ৰতিষ্ঠা কৰিব পাৰি** (Eassy establishment) ঃ

গোট বেংকে সৰু পৰিসৰৰ আধাৰত কাম কৰে। সেয়েহে গোট বেংকৰ প্ৰৱৰ্তনৰ বাবে কম মূলধনৰ প্ৰয়োজন। ইয়াৰ উপৰিও শাখা বেংকিঙৰ তুলনাত গোট বেংকিঙৰ আনুষ্ঠানিকতা, নিয়ম আৰু নিয়মাৱলী সহজ।

(২) **সহজ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণ** (Easy management and control) ঃ

গোট বেংকিং পদ্ধতিৰ অধীনত বেংকৰ আকাৰ আৰু কাৰ্যকলাপ সৰু পৰিসৰৰ। সেয়েহে ব্যৱস্থাপনা, তত্বাৱধান আৰু নিয়ন্ত্ৰণ সহজ হয়।

(৩) **দ্ৰুত সিদ্ধান্ত** (Quick decisions) ঃ

গোট বেংকিং পদ্ধতিৰ অধীনত পৰিচালকে ঋণ মঞ্জুৰ কৰা আদি সম্পৰ্কত দ্ৰুত সিদ্ধান্ত ল'ব পাৰে। মুখ্য কাৰ্যালয়ৰ পৰা নিৰ্দেশনা আৰু অনুমোদনৰ বাবে তেওঁ ৰৈ থকাৰ প্ৰয়োজন নাই।

(৪) **স্থানীয় প্ৰয়োজনীয়তা পূৰণ** (Satisfaction of local needs) ঃ

গোট বেংকিং হৈছে স্থানীয় বেংকিং। গোট বেংকৰ সমগ্ৰ কাৰ্যকলাপ এটা নিৰ্দিষ্ট এলেকাত সীমাবদ্ধ। সেয়েহে বেংকবোৰৰ স্থানীয় সমস্যা, তেওঁলোকৰ প্ৰয়োজনীয়তা আদিৰ বিশেষ জ্ঞান আছে আৰু সেই প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাত সহায় কৰিব পাৰে। এনেদৰে শাখা বেংকিঙৰ তুলনাত গোট বেংকে স্থানীয় প্ৰয়োজনীয়তা অধিক পূৰণ কৰিব পাৰে।

(৫) **ব্যক্তিকেন্দ্ৰীক সেৱা** (Personalised services) ঃ

গোট বেংকিঙে বেংকাৰসকলক তেওঁৰ গ্ৰাহকসকলক ঘনিষ্ঠভাৱে জনাৰ সুযোগ দিয়ে। পৰিচালকজনৰ তেওঁৰ প্ৰতিজন গ্ৰাহকৰ বিষয়ে ব্যক্তিগত জ্ঞান থাকে আৰু অধিক ব্যক্তিগত সম্পৰ্ক স্থাপন কৰে। ই ব্যক্তিকেন্দ্ৰীক সেৱা নিশ্চিত কৰে। কৰ্মচাৰীসকলক সঘনাই স্থানান্তৰ কৰা হয় বাবে শাখা বেংকিঙৰ ক্ষেত্ৰত ব্যক্তিকেন্দ্ৰীক সেৱা সম্ভৱ নহয়।

(৬) **একচেটিয়া অধিকাৰৰ কোনো সুযোগ নাই** (No chance for monopoly) ঃ

গোট বেংকিঙৰ অধীনত বেংকৰ আকাৰ সৰু আৰু এটা সৰু এলেকাত সীমিত। প্ৰতিটো বেংক নিজেই স্বতন্ত্ৰ। সেয়েহে গোট বেংকিঙত একচেটিয়া অধিকাৰ উদ্ভৱ হ'ব নোৱাৰে।

**গোট বেংকিং পদ্ধতিৰ অসুবিধাসমূহ** (Disadvantages of Unit Banking System)—

(১) **সংকটৰ সন্মুখীন হোৱাৰ সামৰ্থ্য নাই** (No ability to face crisis) ঃ

কাৰ্যপৰিসৰৰ সীমিত ক্ষেত্ৰ আৰু বিনিয়োগৰ অ-ভিন্নতাই গোট বেংকবোৰৰ লোকচান সহ্য কৰাৰ সামৰ্থ্য হ্ৰাস কৰে। এই বেংকবোৰ কোনো বিত্তীয় সংকটৰ সন্মুখীন হ'ব নোৱাৰে।

(২) **বিপদাশংকাৰ ভৌগোলিক বিতৰণৰ অভাৱ** (No geographical distribution of risk)ঃ

গোট বেংকিং পদ্ধতিৰ অধীনত বেংক এটাৰ কাৰ্যকলাপৰ ক্ষেত্ৰ কেৱল এক নিৰ্দিষ্ট স্থানত সীমাবদ্ধ। যদি সেই ঠাইত কোনো ব্যৱসায়িক মন্দাৱস্থা থাকে তেতিয়া বেংকেও লোকচানৰ সন্মুখীন হয়। ইয়াৰ কাৰ্যকলাপ স্থানীয়ভাৱে সম্পাদন হোৱাৰ বাবে গোট বেংকে বিপদাশংকাটো এক বিস্তৃত এলেকাত বিতৰণ কৰিব নোৱাৰে।

(৩) **সূতৰ হাৰৰ তাৰতম্য** (Variation of interest rate) ঃ

গোট বেংকিঙৰ অধীনত সূতৰ হাৰৰ একতা নাথাকিব পাৰে। কাৰণ বিভিন্ন বেংকে বিভিন্ন সূতৰ

হাৰ আদায় কৰিব পাৰে, যিহেতু আন ক্ষেত্ৰলৈ পুঁজি স্থানান্তৰ কৰাৰ কোনো সম্ভাৱনা নাই। পুঁজিৰ উপলব্ধতাই সূতৰ হাৰ প্ৰভাৱিত কৰে।

(৪) **পৰ্যাপ্ত বেংকিং সুবিধা প্ৰদান কৰিবলৈ সক্ষম নহয়** (Not able to provide adequate banking facilities) ঃ

ইয়াৰ সীমিত কাৰ্যকলাপ আৰু সীমিত বিত্তীয় সম্পদৰ বাবে গোট বেংকবোৰে শাখা বেংকিঙৰ দৰে বৃহৎ পৰিসৰৰ বেংকিং সুবিধা প্ৰদান কৰিবলৈ সক্ষম নহয়।

(৫) **পুঁজি প্ৰেৰণত অসুবিধা** (Inconvenience in the remittance of funds) ঃ

গোট বেংকবোৰৰ আন ঠাইত কোনো শাখা নাই। সেয়েহে পুঁজি এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰ কৰাটো ব্যয়বহুল আৰু অসুবিধাজনক হৈ পৰে।

(৬) **দুৰ্বল শ্ৰেণীবোৰ অৱহেলিত হ'ব পাৰে** (Weaker sections may be neglected) ঃ

আনকি গোট বেংকবোৰে কাম কৰি থকা চহৰ আৰু মহানগৰবোৰতো বেংকৰ সীমিত সম্পদৰ বাবে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকল অৰ্থাৎ দৰিদ্ৰ লোকসকলক অৱহেলা কৰা হ'ব পাৰে।

**থুপ বেংকিং পদ্ধতিৰ সুবিধাসমূহ** (Advantages of Group Banking System)—

(১) **কাৰ্যকৰী দক্ষতা বৃদ্ধি** (Enhancement of operational efficiency) ঃ

থুপ বেংকিং পদ্ধতিৰ অধীনত জ্ঞান আৰু অভিজ্ঞতাৰ ভাগ-বতৰাৰ জৰিয়তে অংশগ্ৰহণকাৰী বেংকবোৰৰ কাৰ্যকৰী দক্ষতা বৃদ্ধি কৰা হয়।

(২) **বিস্তৃত বজাৰ** (Broader market) ঃ

থুপ বেংকিঙে সৰু বেংকবোৰক তেওঁলোকৰ অতিৰিক্ত সম্পদৰ বাবে বজাৰ প্ৰদান কৰে। সেয়েহে তেওঁলোকৰ উপাৰ্জন ক্ষমতা আৰু কাৰ্যকলাপ উন্নত হয়।

(৩) **গতিশীলতা আৰু সম্পদ স্থানান্তৰ** (Mobility and transfer of resources) ঃ
সংকটৰ ক্ষেত্ৰত অংশগ্ৰহণকাৰী বেংকবোৰৰ মাজত পুঁজি স্থানান্তৰ কৰা হয়। ই তেওঁলোকক অধিক কাৰ্যকৰীভাৱে বিত্তীয় সংকটৰ সন্মুখীন হোৱাত সহায় কৰে।

(৪) **বৃহৎ পৰিসৰৰ কাৰ্য** (Large scale operations) ঃ

থুপ বেংকিঙে বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ পথ প্ৰশস্ত কৰে। সদস্য বেংকবোৰে বৃহৎ পৰিসৰৰ পৰিচালনাৰ মিতব্যয়িতা লাভ কৰিব পাৰে।

**থুপ বেংকিং পদ্ধতিৰ অসুবিধাসমূহ** (Disadvantages of Group Banking System) ঃ

(১) **কাৰ্যকৰী পৰিচালকীয় নিয়ন্ত্ৰণৰ অভাৱ** (Lack of effective managerial control) ঃ

এই পদ্ধতিত নিয়ন্ত্ৰণ পৰোক্ষ আৰু অধিক নমনীয় হেতুকে পৰিচালকৰ নিয়ন্ত্ৰণ কাৰ্যকৰী নহয়। ই বিশেষতাৰে পৰিচালনা কৰিব নোৱাৰে।

(২) **সদস্য বেংকৰ অদক্ষতা** (Inefficiency of member banks) ঃ এটা অংশগ্ৰহণকাৰী বেংকৰ অদক্ষতাই আন অংশগ্ৰহণকাৰী বেংকবোৰক প্ৰভাৱিত কৰে।

(৩) **কম সুবিধা** (Less facilities) ঃ থুপ বেংকিং পদ্ধতিয়ে শাখা বেংকিঙৰ দ্বাৰা আগবঢ়োৱা সকলো সুবিধা প্ৰদান কৰিব নোৱাৰে।

(৪) **পুঁজি সংগ্ৰহ কৰিব নোৱাৰে** (Cannot mobilise funds) ঃ শাখা বেংকিঙৰ দৰে থুপ বেংকিঙৰ পুঁজি সংগ্ৰহ কৰাৰ ক্ষমতা নাই। সেয়েহে ই শাখা বেংকিঙৰ দ্বাৰা আগবঢ়োৱা কাৰ্যকলাপৰ দৰে একেই মিতব্যয়িতা প্ৰদান কৰিব নোৱাৰে।

——

**শাখা বেকিং আৰু গোট বেংকিঙৰ মাজত পাৰ্থক্য** (Differences between Branch Banking and Unit Banking) ঃ

| আধাৰ | শাখা বেংকিং | গোট বেংকিং |
|---|---|---|
| ১। অৰ্থ | এইটো সেই পদ্ধতি যাৰ অধীনত এটা ডাঙৰ বেংকে (সমগ্ৰ বিশ্বত বিয়পি পৰা) বৃহৎ সংখ্যক শাখাৰ জৰিয়তে বেংকিং ব্যৱসায় সম্পাদন কৰে। | এইটো সেই পদ্ধতি য'ত এটা ব্যক্তিগত বেংকে এটা কাৰ্যালয়ৰ জৰিয়তে বা সীমিত এলেকাৰ ভিতৰত কাম কৰা কেইটামান শাখাৰ জৰিয়তে বেংকিং ব্যৱসায় কৰে। |
| ২। বৃহৎ পৰিসৰৰ কাৰ্যকলাপ | অধিক বিত্তীয় সম্পদ থকা আৰু কেইবাটাও শাখা থকা ডাঙৰ বেংকে বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ বহুতো সুবিধা উপভোগ কৰিব পাৰে। | এক নিৰ্দিষ্ট এলেকাত কেৱল এটা কাৰ্যালয় বা কেইটামান শাখা থকা আৰু সীমিত বিত্তীয় সম্পদ থকা গোট বেংকে বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ সুবিধা উপভোগ কৰিব নোৱাৰে। |
| ৩। নগদ সংৰক্ষণৰ মিতব্যয়িতা | শাখা বেংকিঙত নগদ ধন সংৰক্ষণৰ মিতব্যয়িতা আছে। | এটা গোট বেংকে ইয়াৰ জমাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ পৰ্যাপ্ত নগদ ভাণ্ডাৰ ব্যৱহাৰ কৰিব লাগিব। |
| ৪। বেংকিং সুবিধাসমূহ | শাখা বেংকিঙৰ অধীনত বেংকিঙৰ সুবিধাবোৰ সকলো চহৰ আৰু আনকি পিছপৰা এলেকাবোৰৰ বাবে উপলব্ধ কৰিব পাৰি। | অৰ্থনৈতিক ভিত্তিত সৰু চহৰ আৰু অনুন্নত ক্ষেত্ৰত গোট বেংক স্থাপন কৰাটো কঠিন। |
| ৫। জনসাধাৰণৰ আস্থা | অধিক বিত্তীয় সম্পদ আৰু কেইবাটাও শাখা থকা বেংকে জনসাধাৰণৰ অধিক আস্থা ৰক্ষা কৰিব পাৰে। | সীমিত সম্পদ আৰু এটা নিৰ্দিষ্ট এলেকাত অৱস্থিত এটা বা কেইটামান কাৰ্যালয়ৰ সৈতে এটা সৰু গোট বেংকৰ ওপৰত জনসাধাৰণৰ আস্থা কম। |

**থুপ বেংকিং আৰু চেইন বেংকিঙৰ মাজত পাৰ্থক্য** (Differences between Group Banking and Chain Banking ঃ

| আধাৰ | থুপ বেংকিং | চেইন বেংকিং |
|---|---|---|
| ১। অৰ্থ | এইটো এটা পদ্ধতি য'ত দুটা বা ততোধিক বেংক এটা হোল্ডিং কোম্পানীৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। | ই হৈছে এক পদ্ধতি য'ত ব্যক্তি বা পৰিয়ালৰ সদস্যৰ এটা ব্যক্তি বা গোটে দুটা বা ততোধিক বেংকৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰে। |
| ২। চুক্তি | থুপ বেংকিং অপৰিহাৰ্যভাৱে চুক্তিৰ ফলাফল। | চেইন বেংকিং অপৰিহাৰ্যভাৱে চুক্তিৰ ফলাফল নহয়। |
| ৩। নিয়ন্ত্ৰণ | সদস্য বেংকৰ নিয়ন্ত্ৰণ কম পোনপটীয়া আৰু অধিক নমনীয়। | সদস্য বেংকৰ নিয়ন্ত্ৰণ অধিক পোনপটীয়া আৰু কম নমনীয়। |

## সাৰাংশ

- **বেংকিং পদ্ধতি—**

সংগঠনৰ ওপৰত ভিত্তি কৰি বেংকিং পদ্ধতিক শাখা বেংকিং (Branch Banking), গোট বেংকিং (Unit Banking), থুপ বেংকিং (Group Banking), চেইন বেংকিং (Chain Banking) আৰু যোগাযোগ বা সংযোগী বেংকিং (Correspondent Banking) হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি।

### শাখা বেংকিং পদ্ধতি

- **শাখা বেংকিং পদ্ধতিৰ অৰ্থ—** শাখা বেংকিং পদ্ধতি হৈছে বেংকিং পদ্ধতি, য'ত একক প্ৰতিষ্ঠান হিচাপে আৰু একক মালিকীস্বত্বৰ অধীনত এটা ডাঙৰ বেংকে বুজন সংখ্যক শাখাৰ জৰিয়তে কাম কৰে। এই ক্ষেত্ৰত এখন ডাঙৰ চহৰত বেংকৰ মুখ্য কাৰ্যালয় আৰু দেশৰ বিভিন্ন প্ৰান্তত বা দেশৰ বাহিৰত শাখা থাকে।

- **শাখা বেংকিং পদ্ধতিৰ সুবিধাসমূহ—**

(ক) বৃহৎ পৰিসৰৰ কাৰ্যকলাপৰ লাভালাভ

(খ) বিপদ শংকাৰ ব্যাপক বিস্তাৰ

(গ) দক্ষ ব্যৱস্থাপনা

(ঘ) পুঁজি প্ৰেৰণত মিতব্যয়িতা

(ঙ) নগদ সংৰক্ষণৰ মিতব্যয়িতা

(চ) জমা আৰু সম্পত্তিৰ বিবিধতা।

- **শাখা বেংকিং পদ্ধতিৰ অসুবিধাসমূহ—**

(১) ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণত অসুবিধা

(২) কম পদক্ষেপ

(৩) লোকচানৰ সংযোজন

(৪) অৰ্থনৈতিক ক্ষমতাৰ কেন্দ্ৰীভূতকৰণ

(৫) অদক্ষ শাখাবোৰ অব্যাহত ৰখা

(৬) অস্বাস্থ্যকৰ প্ৰতিযোগিতা।

## গোট বেংকিং পদ্ধতি

- **গোট বেংকিং পদ্ধতিৰ অৰ্থ—** গোট বেংকিং পদ্ধতি হৈছে এটা বেংকিং পদ্ধতি, য'ত বেংকে এটা কাৰ্যালয় বা ব্যৱসায়ৰ স্থানৰ পৰা কাম কৰে। গোট বেংক এটাৰ কাৰ্যক্ষেত্ৰ শাখা বেংকিঙৰ তুলনাত অধিক সীমিত।

- **গোট বেংকিং পদ্ধতিৰ সুবিধাসমূহ—**

  (১) সহজে প্ৰতিষ্ঠা কৰিব পাৰি

  (২) সহজ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণ

  (৩) দ্ৰুত সিদ্ধান্ত

  (৪) স্থানীয় প্ৰয়োজনীয়তা পূৰণ

  (৫) ব্যক্তিকেন্দ্ৰীক সেৱা

  (৬) একচেটিয়া অধিকাৰৰ কোনো সুযোগ নাই।

- **গোট বেংকিং পদ্ধতিৰ অসুবিধাসমূহ—**

  (১) সংকটৰ সন্মুখীন হোৱাৰ সামৰ্থ নাই

  (২) বিপদাশংকাৰ ভৌগোলিক বিতৰণৰ অভাৱ

  (৩) সূতৰ হাৰৰ তাৰতম্য

  (৪) পৰ্যাপ্ত বেংকিং সুবিধা প্ৰদান কৰিবলৈ সক্ষম নহয়

  (৫) পুঁজি প্ৰেৰণত অসুবিধা

  (৬) দুৰ্বল শ্ৰেণীবোৰ অৱহেলিত হ'ব পাৰে।

## থুপ বেংকিং পদ্ধতি

● **থুপ বেংকিং পদ্ধতিৰ অৰ্থ—** দুটা বা ততোধিক স্বতন্ত্ৰভাৱে অন্তৰ্ভুক্ত বেংক এটা হোল্ডিং কোম্পানীৰ নিয়ন্ত্ৰণলৈ অনা পদ্ধতিয়েই হ'ল থুপ বেংকিং। হোল্ডিং কোম্পানীটো এটা বেংকিং কোম্পানী হ'ব পাৰে বা নহ'বও পাৰে। থুপ বেংকিঙৰ অধীনত ব্যক্তিগত বেংকবোৰ গোট বেংক বা শাখা পৰিচালনা কৰা বেংক বা দুয়োটাৰে সংমিশ্ৰণ হ'ব পাৰে।

● **থুপ বেংকিং পদ্ধতিৰ সুবিধাসমূহ—**

(১) কাৰ্যকৰী দক্ষতা বৃদ্ধি

(২) বিস্তৃত বজাৰ

(৩) গতিশীলতা আৰু সম্পদ স্থানান্তৰ

(৪) বৃহৎ পৰিসৰৰ কাৰ্য।

● **থুপ বেংকিং পদ্ধতিৰ অসুবিধাসমূহ—**

(১) কাৰ্যকৰী পৰিচালনা নিয়ন্ত্ৰণৰ অভাৱ

(২) সদস্য বেংকৰ অদক্ষতা

(৩) কম সুবিধা

(৪) পুঁজি সংগ্ৰহ কৰিব নোৱাৰে।

## চেইন বেংকিং পদ্ধতি

● **চেইন বেংকিং পদ্ধতিৰ অৰ্থ—** চেইন বেংকিং হৈছে বেংকিঙৰ এক পদ্ধতি যাৰ অধীনত কেইবাটাও পৃথকে পঞ্জীয়নভুক্ত বেংকক হোল্ডিং কোম্পানীৰ বাহিৰে আন এটা ব্যৱস্থাৰ দ্বাৰা উমৈহতীয়া নিয়ন্ত্ৰণৰ অধীনলৈ অনা হয়।

## সংযোগী বেংকিং পদ্ধতি

● **সংযোগী বেংকিং পদ্ধতিৰ অৰ্থ—** সংযোগী বেংক হৈছে এনে এটা বেংক, যিয়ে আন বেংকক সেৱা (যেনে— আন বেংকৰ হৈ আমানত গ্ৰহণ) প্ৰদান কৰে। এইটো হৈছে এনে এক পদ্ধতি, যাৰ অধীনত গোট বেংকবোৰ ডাঙৰ বেংকৰ সৈতে সংযুক্ত হৈ আছে। সংযোগী বেংকবোৰ বিত্তীয় কেন্দ্ৰবোৰত এতিয়াও ডাঙৰ বেংকৰ সৈতে সংযুক্ত হৈ আছে।

——

গোট - ৩

## প্রশ্নাৱলী

ক) **অতি চমু উত্তৰৰ প্ৰশ্ন ঃ** প্ৰতিটোত ১ নম্বৰ

(১) কোন চনত ইম্পেৰিয়েল বেংক প্ৰতিষ্ঠা হৈছিল?

(২) কোন চনত ১৪টা ভাৰতীয় বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল?

(৩) কোন চনত ৬টা ভাৰতীয় বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল?

(৪) কোন চনত নায়ক বেংক আঁচনি আৰম্ভ কৰা হৈছিল?

(৫) কোন চনত ভাৰতীয় ষ্টেট বেংক স্থাপন কৰা হৈছিল?

(৬) প্ৰেচিডেন্সি বেংক তিনিটাৰ নাম লিখা।

(৭) ভাৰতীয় ষ্টেট বেংকৰ পূৰ্বৰ নাম কি আছিল?

(৮) কোন চনত ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়াক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ভাৰতীয় ষ্টেট বেংক হিচাপে পুনৰ নামকৰণ কৰা হৈছিল?

খ) **চমু উত্তৰ দিয়া ঃ** প্ৰতিটোত ২ নম্বৰ

(১) ব্যক্তিগত খণ্ডৰ বেংক কাক বোলে ?

(২) ৰাজহুৱা খণ্ডৰ বেংক কাক বোলে ?

(৩) শাখা বেংকিং কাক বোলে ?

(৪) গোট বেংকিং কাক বোলে ?

(৫) চেইন বেংকিং কাক বোলে ?

(৬) থুপ বেংকিং কাক বোলে ?

(৭) অনুসূচীত বাণিজ্যিক বেংক কাক বোলে ?

(৮) ভাৰতৰ দুটা ব্যক্তিগত খণ্ডৰ বেংকৰ নাম লিখা।

(৯) ভাৰতৰ দুটা ৰাজহুৱা খণ্ডৰ বেংকৰ নাম লিখা।

(১০) ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা সম্পাদন কৰা যিকোনো দুটা কেন্দ্ৰীয় বেংকিং কাৰ্য লিখা।

(১১) ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা সম্পাদন কৰা যিকোনো দুটা সাধাৰণ বেংকিং কাৰ্য লিখা।

(১২) নায়ক বেংকৰ দুটা কাৰ্য লিখা।

(১৩) অনুসূচীত আৰু অনা-অনুসূচীত বেংকৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(১৪) নায়ক বেংক আঁচনিৰ অৰ্থ লিখা।

(১৫) ভাৰতত ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ দুটা গুৰুত্বপূৰ্ণ সাফল্য উল্লেখ কৰা।

(১৬) শাখা বেংকিং পদ্ধতিৰ দুটা সুবিধা লিখা।

(১৭) থুপ বেংকিং আৰু চেইন বেংকিঙৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(১৮) ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বেংকৰ মাজত দুটা পাৰ্থক্য লিখা।

(১৯) নায়ক বেংকৰ দুটা উদ্দেশ্য উল্লেখ কৰা।

গ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-১) ঃ** প্ৰতিটোত ৫ নম্বৰ

(১) বাণিজ্যিক বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ উদ্দেশ্যবোৰ আলোচনা কৰা।

(২) শাখা বেংকিং আৰু গোট বেংকিঙৰ মাজত পাঁচটা পাৰ্থক্য উল্লেখ কৰা।

(৩) স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতত বাণিজ্যিক বেংকৰ বিকাশৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

(৪) নায়ক বেংকৰ কাম-কাজ আলোচনা কৰা।

ঘ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-২) ঃ** প্ৰতিটোত ৮ নম্বৰ

(১) ভাৰতত বাণিজ্যিক বেংকিঙৰ বিৱৰ্তন আৰু বিকাশৰ বিষয়ে আলোচনা কৰা।

(২) শাখা বেংকিং পদ্ধতিৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰা।

(৩) গোট বেংকিং পদ্ধতিৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰা।

(৪) নায়ক বেংক আঁচনি কি? এই আঁচনিৰ প্ৰভাৱবোৰ উল্লেখ কৰা।

(৫) ভাৰতীয় ষ্টেট বেংকৰ বিষয়ে এটা চমু টোকা লিখা।

(৬) ভাৰতীয় ষ্টেট বেংকৰ কাৰ্যসমূহ চমুকৈ আলোচনা কৰা।

(৭) ৰাষ্ট্ৰীয়কৰণৰ পিছত বাণিজ্যিক বেংকৰ সাফল্যৰ বিষয়ে আলোচনা কৰা।

(৮) ভাৰতত বেংক ৰাষ্ট্ৰীয়কৰণৰ মুখ্য উদ্দেশ্য আৰু সাফল্যৰ বিষয়ে আলোচনা কৰা।

(৯) কিছুমান ভাৰতীয় বেংকৰ ৰাষ্ট্ৰীয়কৰণ কাৰণবোৰ কি আছিল? ই দেশখনক কেনেদৰে সহায় কৰিছে?

——